# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 22-01-2026
**Time :** 0705 hrs

*Assamese Morning Bulletin*

## HEADLINES

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অধ্যক্ষতাৰ অনুষ্ঠিত কেবিনেট বৈঠকত কেন্দ্ৰীয় চৰকাৰৰ অভিলাষী আঁচনি অটল পেঞ্চন যোজনা ২০৩০-৩১ চনলৈকে অব্যাহত থাকিব বুলি সিদ্ধান্ত গ্ৰহণ কৰা হয়।

২। বিশ্ব অৰ্থনৈতিক সন্মিলত ভাৰতে বিশ্বব্যাপী কৃত্ৰিম বুদ্ধিমত্তা সেৱাৰ ভেঁটি গঢ়ি তোলা বুলি দৃঢ়তাৰে প্ৰকাশ কৰিছে।

৩। আমেৰিকাৰ ৰাষ্ট্ৰপতি ডোনাল্ড ট্ৰাম্পে আমেৰিকৰ মিত্ৰ দেশসমূহৰ ওপৰত গ্ৰীণলেণ্ডৰ বিষয়ত আমেৰিকাৰ পৰিকল্পিত শুল্ক বাতিল কৰাৰ কথা ঘোষণা কৰিছে।

৪। নিৰ্বাচন আয়োগে পশ্চিমবংগৰ নিৰ্বাচনী তালিকাৰ বিশেষ পুনৰীক্ষণ সন্দৰ্ভত উচ্চতম ন্যায়ালয়ে দিয়া নিৰ্দেশ কাৰ্যকৰী কৰিবলৈ নিৰ্দেশ দিছে। *আৰু*

৫। অসমৰ ঢকুৱাখনা আৰু চিলাপথাৰত অনুষ্ঠিত সন্তোষ ট্ৰফীৰ  এখন খেলত পশ্চিমবংগই নাগালেণ্ডক ৪-০ গলত পৰাস্ত কৰে।

০০০০০

নতুন দিল্লীত কালি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অধ্যক্ষতাত অনুষ্ঠিত কেবিনেট বৈঠকত কেন্দ্ৰীয় চৰকাৰৰ অভিলাষী আঁচনি অটল পেঞ্চন যোজনা ২০৩০-৩১চনলৈকে অব্যাহত থাকিব বুলি সিদ্ধান্ত গ্ৰহণ কৰা হয়। এই আঁচনিখনে গ্ৰাহকৰ অৱদানৰ ওপৰত নিৰ্ভৰ কৰি ৬০ বছৰ বয়স হোৱাৰ পিছত প্ৰতিমাহে এক হাজাৰৰ পৰা পাঁচ হাজাৰ টকালৈকে নিশ্চিত নূন্যতম পেঞ্চন প্ৰদান কৰে। কেবিনেটে লগতে ভাৰতীয় ক্ষুদ্ৰ উদ্যোগ উন্নয়ন বেংকলৈও পাঁচ হাজাৰ কোটি টকাৰ ইকুইটি চাপৰ্টৰ অনুমোদন জনাইছে। এই পদক্ষেপে প্ৰায় ২৫ লাখ ৭৪ হাজাৰ নতুন এম এছ এম ই হিতাধিকাৰীক লাভৱান কৰাৰ সম্ভাৱনা আছে।

০০০০০

**বিশ্ব অৰ্থনৈতিক মঞ্চ সন্মিলনত** ভাৰতে বিশ্বব্যাপী কৃত্ৰিম বুদ্ধিমত্তা (AI) সেৱাৰ ভেটি গঢ়ি তোলা বুলি দৃঢ়তাৰে প্ৰকাশ কৰিছে। ডাভোছত অনুষ্ঠিত বিশ্ব অৰ্থনৈতিক মঞ্চৰ সন্মিলনত ভাষণ প্ৰদান কৰি ইলেক্ট্ৰনিকছ আৰু তথ্য প্ৰযুক্তি মন্ত্ৰী অশ্বিনী বৈষ্ণৱে কয় যে, দেশখনে এআই আৰ্কিটেকচাৰ, এপ্লিকেচন, মডেল, চিপ, ইনফ্ৰা আৰু শক্তিৰ পাঁচোটা স্তৰৰ ওপৰত কাম কৰি আছে।

০০০০০

ইউৰোপীয় সংসদে আমেৰিকাৰ ৰাষ্ট্ৰপতি ডোনাল্ড ট্ৰাম্পে গ্ৰীণলেণ্ড অধিগ্ৰহণ কৰাৰ দাবী আৰু তেওঁৰ এই পৰিকল্পনাৰ বিৰোধীতা কৰা ইউৰোপীয় সংঘৰ মিত্ৰদেশসমূহৰ ওপৰত শুল্ক আৰোপ কৰাৰ ভাবুকিৰ প্ৰতিবাদত সংঘৰ বাণিজ্যিক চুক্তিৰ কাম-কাজ স্থগিত ৰখাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। জুলাই মাহৰ শেষৰফালে স্কটলেণ্ড টাৰ্ণবেৰিত সম্পাদিত চুক্তিৰ মূল অংশহিচাপে আমেৰিকাৰ সামগ্ৰীসমূহৰ ওপৰত ইউৰোপীয় সংঘৰ ভালেখিনি আমদানি শুল্ক আঁতৰোৱাৰ লগতে ২০২০ চনত প্ৰথমে ট্ৰাম্পৰ সৈতে চুক্তিবদ্ধ হোৱা আমেৰিকাৰ সামগ্ৰীসমূহৰ ওপৰত শূন্য শুল্ক অব্যাহত ৰখাৰ প্ৰস্তাৱৰ ওপৰত ইউৰোপীয় সংঘৰ মজিয়াত বিতৰ্ক চলি আহিছে। অৱশ্যে এই প্ৰস্তাৱসমূহত সংসদ আৰু ইউৰোপীয় সংঘৰ চৰকাৰসমূহৰ অনুমোদনৰ প্ৰয়োজন। ভালেমান সাংসদে অভিযোগ কৰা অনুসৰি এই বাণিজ্যিক চুক্তিখন এক পক্ষীয় আৰু ইউৰোপীয় সংঘই বেছিভাগ আমদানি শুল্ক কৰ্তন কৰিবলগীয়া হোৱাৰ বিপৰীতে আমেৰিকাই এই শুল্কৰ হাৰ ১৫ শতাংশ অব্যাহত ৰাখিছিল। উল্লেখযোগ্য যে, ইউৰোপীয় সংসদৰ বাণিজ্য সমিতিয়ে অহা ২৬, ২৭ জানুৱাৰীত ভোটৰ ভিত্তিত নিজৰ স্থিতি গ্ৰহণ কৰিবলগীয়া আছিল যদিও এতিয়া এই পদক্ষেপ পিছুৱাই দিয়া হৈছে।

০০০০০

আমেৰিকাৰ ৰাষ্ট্ৰপতি ডোনাল্ড ট্ৰাম্পে উত্তৰ মেৰুৰ নিৰাপত্তাৰ ক্ষেত্ৰত ভৱিষ্যতে চুক্তিৰ কাঠামোত সন্মতি প্ৰকাশ কৰাৰ পিছতেই ইউৰোপত থকা আমেৰিকৰ মিত্ৰ দেশসমূহৰ ওপৰত গ্ৰীণলেণ্ডৰ বিষয়ত আমেৰিকাৰ পৰিকল্পিত শুল্ক বাতিল কৰাৰ কথা ঘোষণা কৰিছে। ট্ৰাম্পে অধিকাৰ আৰু মালিকীস্বত্বকে ধৰি গ্ৰীণলেণ্ডক ল'ব বিচৰা বুলি জোৰ দিয়াৰ কেইঘণ্টামানৰ পিছতেই এই ঘোষণা কৰে। বিশ্ব অৰ্থনৈতিক মঞ্চত দিয়া ভাষণত ৰাষ্ট্ৰপতিয়ে কয়, যে তেওঁ এনে ভূ-খণ্ড বিচাৰিছে যি অতি শীতল আৰু দুৰ্বল অৱস্থাত আছিল। ট্ৰাম্পে লগতে উত্তৰ মেৰুৰ ৰাছিয়া আৰু চীনৰ আশে পাশে থকা মহাসাগৰত অহা ভাবুকি প্ৰতিহত কৰিবলৈ ৱাশ্বিংটনক বিশ্বৰ সৰ্ববৃহৎ দ্বীপটোৰ প্ৰয়োজন বুলিও কয়।

০০০০০

আমেৰিকাৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পৰ গ্ৰীণলেণ্ড অধিগ্ৰহণৰ দাবীয়ে ডেনমাৰ্ক আৰু নাটোৰ ঐক্যক জোকাৰি যোৱাৰ সময়তে ৰাছিয়াৰ ৰাষ্ট্ৰপতি ভ্লাদিমিৰ পুটিনে এই বিষয়টোক লৈ চিন্তিত নহয় বুলি মন্তব্য প্ৰদান কৰিছে। কালি নিশা ৰাষ্ট্ৰীয় নিৰাপত্তা পৰিষদৰ বৈঠকত দিয়া ভাষণত পুটিনে কয় যে গ্ৰীনলেণ্ডৰ কথা চিন্তা কৰাটো আমাৰ কাম নহয়। ৰাছিয়াৰ ৰাষ্ট্ৰপতিগৰাকীয়ে লগতে কয় যে তেওঁলোকে নিজৰ মাজতে এই বিবাদ সমাধান কৰিব।

০০০০০

ভাৰতে উচ্চ সুৰক্ষা মান বৰ্তাই ৰাখি পাৰমাণৱিক শক্তি কাৰ্যসূচীৰ এক নিৰ্ণায়ক বিন্দুত উপনীত হৈছে বুলি বিজ্ঞান আৰু প্ৰযুক্তি বিভাগৰ কেন্দ্ৰীয় মন্ত্ৰী ড° জিতেন্দ্ৰ সিঙে প্ৰকাশ কৰিছে। কালি নতুন দিল্লীত আয়োজিত এখন সংবাদমেলত মন্ত্ৰীগৰাকীয়ে কয়, যে চৰকাৰে শেহতীয়াকৈ প্ৰণয়ন কৰা পাৰমাণৱিক আইনখনৰ অধীনত বিশদ পৰ্যালোচনা চলাই থকা হৈছে। চৰকাৰে অত্যাৱশ্যকীয় সুৰক্ষাৰ ক্ষেত্ৰত কোনো ধৰণৰ আপোচ নকৰাকৈ বে-চৰকাৰী অংশগ্ৰহণৰ বাবেও পাৰমাণৱিক খণ্ডটো মুকলি কৰি দিছে বুলিও তেওঁ প্ৰকাশ কৰে। ড° সিঙে দৃঢ়ভাৱে

কয়, যে দেশৰ দীৰ্ঘম্যাদী শক্তিৰ মিশ্ৰণে জলবায়ুৰ প্ৰতিশ্ৰুতি, কৌশলগত প্ৰয়োজনীয়তা আৰু অৰ্থনৈতিক বিকাশ পূৰণৰ বাবে নবীকৰণযোগ্য শক্তি আৰু পাৰমাণৱিক শক্তিৰ মাজত ভাৰসাম্য ৰক্ষা কৰিব।

০০০০০

নিৰ্বাচন আয়োগে পশ্চিমবংগৰ নিৰ্বাচনী তালিকাৰ বিশেষ পুনৰীক্ষণ সন্দৰ্ভত উচ্চতম ন্যায়ালয়ে দিয়া নিৰ্দেশ কাৰ্যকৰী কৰিবলৈ নিৰ্দেশ দিছে। এই তালিকাত থকা বিসংগতিসমূহ চালিজাৰি চাই নিৰ্দিষ্ট সময়সীমাৰ ভিতৰত এইবোৰৰ মীমাংসা কৰিবলৈ আয়োগে পশ্চিমবংগৰ কৰ্তৃপক্ষক নিৰ্দেশ দিছে। তদুপৰি আয়োগে ৰাজ্য প্ৰসাশন আৰু আৰক্ষীক শুনানি মসৃনভাৱে সম্পাদন কৰিবলৈও কয়।

০০০০০

আমেৰিকাৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে গ্ৰীণলেণ্ড নিয়ন্ত্ৰণ কৰিবলৈ বল প্ৰয়োগ নকৰে বুলি কয় যদিও পুনৰ তেঁও আৰ্কটিক দ্বীপৰ মালিকীস্বত্ব ৱাশ্বিংটনক দিয়াৰ দাবী উত্থাপন কৰে। ডাভোছত বিশ্ব অৰ্থনৈতিক মঞ্চৰ সন্মিলনত ভাষণ দি আমেৰিকাৰ ৰাষ্ট্ৰপতিগৰাকীয়ে কয় যে গ্ৰীনলেণ্ড অধিগ্ৰহণ সন্দৰ্ভত আমেৰিকাই তাৎক্ষণিক আলোচনা বিচাৰিছে। গ্ৰীণলেণ্ড আমেৰিকাৰ মিত্ৰ দেশ ডেনমাৰ্কৰ অৰ্ধস্বায়ত্তশাসিত ভূখণ্ড। সামৰিক মিত্ৰতা নাটো গঠন কৰা উত্তৰ আমেৰিকা আৰু ইউৰোপৰ ৩২খন দেশৰ ভিতৰত আমেৰিকা আৰু ডেনমাৰ্ক অন্যতম। ট্ৰাম্পে ডেনমাৰ্কৰ পৰা গ্ৰীণলেণ্ড অধিগ্ৰহণ কৰাৰ ধাৰণা বাৰে বাৰে উত্থাপন কৰি আহিছে ।ট্ৰাম্পে লগতে কয় যে আমেৰিকাই গ্ৰীণলেণ্ড অধিগ্ৰহণ কৰাৰ বাবে আলোচনা বিচাৰিছে, কাৰণ আমেৰিকাৰ বাহিৰে আন কোনো ৰাষ্ট্ৰই গ্ৰীণলেণ্ডক সুৰক্ষিত কৰিব নোৱাৰে।

০০০০০

অসমৰ ঢকুৱাখনা আৰু চিলাপথাৰত অনুষ্ঠিত সন্তোষ ট্ৰফী ২০২৫-২৬ সংস্কৰণৰ ফাইনেল ৰাউণ্ডৰ এখন মেচত কালি পশ্চিমবংগই ৪-০গলত নাগালেণ্ডক পৰাজিত কৰে। এই জয়ৰ জড়িয়তে পশ্চিম বংগই গ্ৰুপ এত অগ্ৰগতি লাভ কৰিছে। ইয়াৰ পূৰ্বে ঢকুৱাখনাত অনুষ্ঠিত গ্ৰুপ এ পৰ্যায়ৰ এখন খেলত উত্তৰাখণ্ডৰ বিৰুদ্ধে ৩-২ গ'লত ৰাজস্থানে জয়লাভ কৰে।

আজি চিলাপথাৰ ফুটবল ষ্টেডিয়ামত পঞ্জাৱ কেৰালাৰ মুখামুখি হব। খেলখন পুৱা ৯বজাত আৰম্ভ হ'ব।

০০০০০

নাগপুৰৰ বিদৰ্ভা ক্ৰিকেট এছ'চিয়েশ্যন ষ্টেডিয়ামত অনুষ্ঠিত পাঁচখনীয়া T20 ক্ৰিকেট শৃংখলাৰ প্ৰথমখন মেচত ভাৰতে নিউজিলেণ্ডক ৪৮ ৰানত পৰাস্ত কৰে। এই জয়ৰ জৰিয়তে নিউজিলেণ্ডৰ বিৰুদ্ধে পাঁচখনীয়া শৃংখলাত ভাৰতে ১-০ত অগ্ৰগতি লাভ কৰে। খেলখনত নিউজিলেণ্ডে নিৰ্ধাৰিত বিশ অভাৰত ৭টা উইকেটৰ বিনিময়ত ১৯০ ৰান সংগ্ৰহ কৰে। ভাৰতে বিপক্ষ দলটোক ২৩৯ৰাণৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিছিল।

আলহী দলটোৰ হৈ গ্লেন ফিলিপছে ৪০টা বলত ৭৮ ৰান সংগ্ৰহ কৰি সৰ্বাধিক স্ক’ৰ কৰে। আয়োজক দলৰ হৈ বৰুণ চক্ৰৱৰ্তী আৰু শিৱম ডুবেই এটাকৈ উইকেট দখল কৰাৰ বিপৰীতে আৰ্ছদীপ সিং, হাৰ্দিক পাণ্ডিয়া আৰু অক্ষৰ পেটেলে এটাকৈ উইকেট দখল কৰে। ইয়াৰ পূৰ্বে আলহী দলটোৱে টছত জয়লাভ কৰি প্ৰথমে ফিল্ডিং কৰাৰ সিদ্ধান্ত লৈছিল। প্ৰথমে বেটিং কৰি ভাৰতৰ হৈ অপেনাৰ তথা প্লেয়াৰ অব দা মেচ সন্মান লাভ কৰা অভিষেক শৰ্মাই ৮৪ৰাণৰ বৰঙণি আগবঢ়ায়। আলহী দলটোৰ হৈ জেকব ডাফী আৰু কাইল জেমিছনে দুটাকৈ উইকেট দখল কৰে। ক্ৰিষ্টিয়ান ক্লাৰ্ক, ইছ ছ’ধি আৰু মিচেল ছাণ্টনাৰে এটাকৈ উইকেট দখল কৰে। শৃংখলাৰ দ্বিতীয়খন মেচ কাইলৈ ৰায়পুৰৰ শ্বহীদ বীৰ নাৰায়ণ সিং আন্তঃৰাষ্ট্ৰীয় ষ্টেডিয়ামত অনুষ্ঠিত হ’ব। খেলখন ভাৰতীয় সময় অনুসৰি সন্ধিয়া ৭ বজাৰ পৰা আৰম্ভ হোৱাৰ কথা।

০০০০০

মহিলা প্ৰিমিয়াৰ লীগ ক্ৰিকেট প্ৰতিযোগীতাত আজি বদোদৰাৰ বিচিএ ষ্টেডিয়াম কোটাম্বিত এখন লীগ মেচত গুজৰাট জায়েন্টছ ইউ পি ৱাৰিয়ৰ্জৰ মুখামুখি হ'ব। সন্ধিয়া চাৰে সাত বজাৰ পৰা খেলখন আৰম্ভ হোৱাৰ কথা। এইবাৰৰ মহিলা প্ৰিমিয়াৰ লীগ দুখন চহৰৰ ফৰ্মেটত অনুষ্ঠিত কৰা হৈছে। প্ৰতিযোগিতাখনৰ নৱী মুম্বাই লীগ সম্পূৰ্ণ হোৱাৰ পিছত দ্বিতীয়াৰ্ধৰ খেলসমূহ গুজৰাটলৈ স্থানান্তৰিত কৰা হৈছে।

০০০০০

ইণ্ডোনেছিয়া মাষ্টাৰছ বেডমিণ্টন প্ৰতিযোগীতাত আজি ভাৰতীয় খেলুৱৈসকলে ১৬ নং ৰাউণ্ডত অংশগ্ৰহণ কৰিব। পুৰুষৰ একক শাখাত লক্ষ্য সেনে হংকঙৰ জেছন গুনাৱানৰ বিৰুদ্ধে খেলিব। আনহাতে কিদাম্বী শ্ৰীকান্তে চীনৰ টাইপেইৰ চৌ টিয়েন-চেনৰ বিৰুদ্ধে খেলিব। মহিলাৰ একক শাখাত দুবাৰৰ অলিম্পিক পদক বিজয়ী পি.ভি. সিন্ধুৱে ডেনমাৰ্কৰ লাইন কেৰছফেল্ডৰ বিৰুদ্ধে খেলিব। ইফালে, পুৰুষৰ ডাবলছত অৰ্জুন মদাথিল ৰামচন্দ্ৰন আৰু হৰিহৰণ আমছাকৰুণনৰ যুটিটোৱে মালয়েছিয়াৰ টি কাই ৱুন আৰু মান ৱেই চঙৰ মুখামুখি হ'ব।

০০০০০

**সমাপ্ত**